DAILY ASSAM

পাঠ ১০

A3H2N8

# আব্দুলহঁতৰ নতুন ট্ৰেক্টৰ

ক্ট, জ্জ্ব

আব্দুলহঁতৰ দেউতাক এজন ভাল খেতিয়ক। আদৰ্শ খেতিয়ক হিচাপে তেখেতে চৰকাৰী বঁটাও পাইছে। কালি তেখেতে এখন নতুন ট্ৰেক্টৰ কিনি আনিছে। কথাটো আব্দুলে স্কুলত লগৰীয়াবোৰক ক'লে।

পিছদিনাখন ৰাতিপুৱা উজ্জ্বল আৰু সংগীতা আব্দুলহঁতৰ ঘৰ ওলালহি। তেওঁলোকে আব্দুলহঁতৰ নতুন ট্ৰেক্টৰখন চাব। আব্দুলৰ ভনীয়েক ফৰিদাই উজ্জ্বলহতঁক খেতি পথাৰলৈ লৈ গ'ল। তেতিয়া আব্দুলৰ দেউতাকে ট্ৰেক্টৰেৰে মাটি চহাই আছিল। দেউতাকৰ কাষত আব্দুল ৰংমনেৰে বহি আছিল।



"বাঃ! কি ধুনীয়া ট্ৰেক্টৰ"— উজ্জ্বলে ক'লে।

"আমিও তাত গৈ উঠিব পাৰিমনে?" — সংগীতাই সুধিলে।

এনেতে এটা ধপ্‌ধপ্ শব্দ হ'ল। শব্দটো শুনি উজ্জ্বলহঁতে উচাপ্ খাই ক'লে — "কি অ' এইটো?"

"সেইটো পানী তোলা কল" —ফৰিদাই ক'লে। নলীৰে হো-হোৱাই পানী পৰা দেখি সংগীতা ৰ'ব নোৱাৰিলে। তাই চলুৰে চলুৰে পানী ধৰি উজ্জ্বলহঁতৰ গালৈ ছটিয়াবলৈ ধৰিলে। উজ্জ্বলৰ কাপোৰ-কানি পানীৰে তিতি যোৱাত তাৰ বৰ খং উঠিল। সি ওচৰতে

DAILY ASSAM

থকা মাটিৰ দ'মটোৰ পৰা এমুঠি এমুঠিকৈ মাটি সংগীতাৰ গালৈ দলিয়াবলৈ ধৰিলে।

তাকে দেখি ফৰিদাই মাত লগালে— "সেইবোৰ পচন সাৰ। দলিয়াই নষ্ট নকৰিবা।" উজ্জ্বলে সুধিলে—"পচন সাৰ আকৌ কি?" ট্ৰেক্টৰখন ৰখাই আব্দুলৰ দেউতাক নামি আহিল। মৰমেৰে উজ্জ্বলৰ গা-মূৰত হাত বুলাই তেখেতে ক'বলৈ ধৰিলে — "পেলনীয়া জাবৰ-জোঁথৰ গাঁত খান্দি পুতি থ'লে পচন সাৰ হয়। পচন সাৰ দিলে খেতিৰ উৎপাদন বাঢ়ে।"

আব্দুলে ক'লে— "দেউতা, সাৰৰ কথা পিছতো ক'বা, আগতে এওঁলোকক ট্ৰেক্টৰত উঠোৱা।"

সংগীতাক হাতত ধৰি ফৰিদাই ক'লে — "ব'লা, আমি ট্ৰেক্টৰত উঠোঁ।"

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া



**উত্তৰ দিয়া।**

(ক) আব্দুলৰ দেউতাকে নতুনকৈ কি কিনি আনিছে?

(খ) আব্দুলৰ দেউতাক কেনে ধৰণৰ খেতিয়ক?

(গ) আব্দুলৰ দেউতাকে পোৱা বঁটাটো কি?

(ঘ) উজ্জ্বল আৰু সংগীতা আব্দুলহঁতৰ ঘৰলৈ যোৱাৰ কাৰণ কি?

(ঙ) "আমিও তাত গৈ উঠিব পাৰিমনে?"— এইবুলি সংগীতাই ক'ত উঠাৰ কথা সুধিছিল?

(চ) উজ্জ্বলহঁতে কি শুনি উচাপ্ খালে?

(ছ) "সেইবোৰ পচন সাৰ। দলিয়াই নষ্ট নকৰিবা।"—ফৰিদাই কাক তেনেকৈ কৈছিল?

**কোৱা।**

পচন সাৰ কেনেকৈ প্ৰস্তুত কৰে?

ট্ৰেক্টৰেৰে কি কি কাম কৰে?

**পাঠটোত থকা যুক্তাক্ষৰযুক্ত শব্দবোৰ বিচাৰি উলিওৱা আৰু চিনাকি যুক্তাক্ষৰবোৰ ভাঙি লিখা।**

DAILY ASSAM

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)


যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা


| | | | |
|---|---|---|---|
| ট্ৰেক্টৰ | ক্ট | ক + ট | কই টই ক্ট |
| উজ্জ্বল | জ্জ্ব | জ + জ + ব | জই জই জ্জ তাত ৱ কাৰে জ্জ্ব |

যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | |
|---|---|
| ক + ট | কই তই ক্ট |
| জ + জ + ৱ | জই জই জ্জ তাত ৱ কাৰে জ্জ্ব |

কলহত থকা শব্দবোৰ যুক্তাক্ষৰৰ লগত মিলাই চকৰিটোত লিখা।




বাক্য ৰচনা কৰা।

খেতি-পথাৰ ......................................................

বঁটা ......................................................

পেলনীয়া ......................................................

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

DAILY ASSAM

## জানো আহা

**পাঠটোত থকা আব্দুলহঁত, উজ্জ্বলহঁত, সিহঁত, লগৰীয়াবোৰ, তেওঁলোক আদি শব্দবোৰলৈ মন কৰা।**

আব্দুলহঁত — আব্দুলৰ লগত আৰু এজন বা কেইবাজন

সিহঁত — তাৰ লগত আৰু এজন বা কেইবাজন

উজ্জ্বলহঁত — উজ্জ্বলৰ লগত আৰু এজন বা কেইবাজন

ইয়াত এজনতকৈ বেছি বুজাবৰ বাবে **'হঁত'** ব্যৱহাৰ কৰা হৈছে।

এজনতকৈ বা এটাতকৈ বেছি বুজাবৰ বাবে **বোৰ, লোক, বিলাক, মখা, জাক, থোপা** আদি ব্যৱহাৰৰ বিষয়ে ইতিমধ্যে আগৰ পাঠত পাইছা।

**তলৰ বহুত বুজোৱা শব্দ প্ৰয়োগ কৰি বাক্যকেইটা পূৰোৱা।**

বোৰে, থোপা, জাক, কোছা

(ক) ল'ৰা................ খেলিছে।

(খ) ফুল.................. ফুলদানিত সজাইছে।

(গ) বগলী................ আকাশত উৰিছে।

(ঘ) ৰমলাৰ চুলি............. দীঘল।



☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

DAILY ASSAM

## গ — জ্ঞান সম্প্ৰসাৰণ

### পঢ়োঁ আহা।



- ট্ৰেক্টৰেৰে মাটি সহজে চহোৱা হয়।
- দুই অক্টোবৰ মহাত্মা গান্ধীৰ জন্মদিন।
- লালবাহাদুৰ শাস্ত্ৰীৰো জন্ম দুই অক্টোবৰত হৈছিল।
- অক্টোপাছ এবিধ সাগৰীয় প্ৰাণী।
- সোণ এবিধ উজ্জ্বল ধাতু।

### কোৱা আৰু লিখা।

ক) মহাত্মা গান্ধীৰ জন্মৰ তাৰিখটো কি?

খ) মাটি কিহেৰে সহজে চহাব পাৰি?

গ) সোণ কেনেকুৱা ধাতু?

### কেনেকুৱা শব্দ হয়?

উদাহৰণ— পানীতোলা কল চলিলে — ধপ্‌ধপ্

(ক) নলীৰে জোৰেৰে পানী ওলালে —

(খ) জোতা পিন্ধি খোজ কাঢ়িলে —

(গ) নিজৰাৰ পানী বাগৰিলে —

(ঘ) ঘৰৰ চালৰ পৰা পানী পৰিলে —

☛ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

DAILY ASSAM

**অভিজ্ঞতা বৰ্ণনা কৰা।**

(ক) উজ্জ্বলহঁতে আব্দুলহঁতৰ ট্ৰেক্টৰখন চাবলৈ গৈ লাভ কৰা অভিজ্ঞতা।

(খ) নিজৰ ঘৰত বা ওচৰত আনে কিনা নতুন যান-বাহন চোৱাৰ অভিজ্ঞতা।

**তুমি পঢ়ি অহা পাঠবোৰত — , । ; ! ? “ ” চিহ্ন ব্যৱহাৰ কৰা লক্ষ্য কৰিছা। দলত আলোচনা কৰি তলৰ বাক্যবোৰত , । ; ! ? “ ” চিহ্নবোৰ দি পুনৰ লিখা।**

বাঃ কি ধুনীয়া ট্ৰেক্টৰ উজ্জ্বলে ক'লে ..........................................


আমিও তাত গৈ উঠিব পাৰিমনে সংগীতাই সুধিলে ..........................................

..........................................

এনেতে এটা ধপ্ধপ্ শব্দ হ'ল শব্দটো শুনি উজ্জ্বলহঁতে উচাপ্ খাই ক'লে কি অ' এইটো ..........................................

## ঘ— প্ৰকল্প

- **তোমাৰ বিদ্যালয়ৰ চৌহদত কেনেকৈ পচন সাৰ প্ৰস্তুত কৰিবা? শিক্ষকৰ সহায়ত এটি প্ৰকল্প প্ৰস্তুত কৰা।**
- **খেতিৰ সজুঁলিৰ এখন তালিকা প্ৰস্তুত কৰা।**
- **শিক্ষকৰ সহায়ত তলৰ সজুঁলি বিলাকৰ নাম আৰু কামৰ বিষয়ে লিখা।**



*শিক্ষকে মূল পাঠটোৰ আলমত , । ; ! ? “ ” আদি যতি চিহ্নৰ পঠন আৰু লিখনত হোৱা ব্যৱহাৰ ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব।*

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*